GAS S6 03 (M)

Exam Code: ASM6C

বিবিধ ৰচনা, শিশু সাহিত্য আৰু কল্প-বিজ্ঞান, পৰিৱৰ্তিত ৰূপত অসমীয়া সংস্কৃতি, কম্পিউটাৰত ব্যৱহৃত অসমীয়া ভাষা

ষষ্ঠ ষাণ্মাসিক

অসমীয়া

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড^0 শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড^0 দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড^0 মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড^0 মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
৮	উৎপলা পাঠক গুৱাহাটী
৯, ১১, ১২	ড^0 জোনমণি গগৈ গুৱাহাটী
১০	গীতিৰেখা ভূঞা অইকন কর্মাচ কলেজ (কলা শাখা), গুৱাহাটী
১৩, ১৪, ১৫	ড^0 অঞ্জল বৰা গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু, ভাষা আৰু গাঁথনিক সম্পাদনা ঃ ড^0 মৃণাল জ্যোতি গোস্বামী

আৰ্হি কাকত ঃ ড^0 জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ জানুৱাৰী, 2020 **ISBN:.....**

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **সাম্প্রতিক অসমীয়া সংস্কৃতি — ১** 121–135
সাম্প্রতিক অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ ঃ জন্মৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ, মৃত্যুৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ, বিবাহৰ লোকাচাৰলৈ অহা পৰিৱৰ্তনসমূহ, বিভিন্ন দিশত হোৱা পৰিৱৰ্তনসমূহ

অধ্যায় ৯ ঃ **সাম্প্রতিক অসমীয়া সংস্কৃতি — ২** 136–153
সাম্প্রতিক অসমীয়া সংস্কৃতিঃ ৰেডিঅ', দূৰদর্শন, ম'বাইল আৰু ইণ্টাৰনেট

অধ্যায় ১০ ঃ **দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা** 154–168
দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা ঃ শব্দৰ ভুল প্রয়োগ, এফ. এম. তথা ভিন ভিন দৃশ্য-শ্রব্য মাধ্যমৰ অসমীয়া ভাষা, নির্দিষ্টতাবাচক প্রত্যয়, কাৰক আদিৰ পৰিহাৰ

অধ্যায় ১১ ঃ **আধুনিক পৰিৱেশ্য কলাত লোকউপাদান** 169–182
পৰিৱেশ্য কলা — অসমৰ পৰিৱেশ্য কলা ঃ আধুনিক পৰিৱেশ্য কলাত লোকউপাদান

অধ্যায় ১২ ঃ **অসমৰ কাৰু কলা আৰু সাম্প্রতিক সময়ত তাৰ স্থিতি** 183–201
অসমৰ কাৰু কলাৰ বিবিধ দিশ ঃ সাম্প্রতিক সময়ত তাৰ স্থিতি আৰু প্রত্যাহ্বান

অধ্যায় ১৩ ঃ **কম্পিউটাৰৰ সাধাৰণ পৰিচয়** 202–213
কম্পিউটাৰৰ সাধাৰণ পৰিচয় ঃ উদ্ভৱ আৰু বিকাশ, বিভিন্ন কাৰিকৰী দিশসমূহ

অধ্যায় ১৪ ঃ **কম্পিউটাৰত ব্যৱহৃত অসমীয়া ভাষা** 214–227
কম্পিউটাৰত অসমীয়া ভাষা ঃ অসমীয়া ফণ্ট, অসমীয়া কী-বর্ড, অসমীয়া বিবিধ চফ্‌টৱেৰ

অধ্যায় ১৫ ঃ **ইণ্টাৰনেটত অসমীয়া ভাষা** 228–248
ইণ্টাৰনেটৰ সংজ্ঞা আৰু ইতিহাস; ইণ্টাৰনেটত অসমীয়া ভাষা ঃ ই-মেইল আৰু ব্লগত ব্যৱহৃত অসমীয়া ভাষা, ৱেব জার্নেল, বিভিন্ন কার্যালয়ৰ অসমীয়া ৱেব-চাইট, বিভিন্ন ই-গ্রুপ আদি, ইণ্টাৰনেটৰ অসমীয়া অভিধান তথা পুথিভঁৰাল, অসমীয়া ইণ্টাৰনেট ৰেডিঅ'

প্রংসগপুথি 249–254

খণ্ড পৰিচয় ঃ খণ্ড - ২

পাঠ্যবিষয়টিৰ এইটো খণ্ডত আঠটা অধ্যায় আছে। পাঠ্যবিষয়ৰ পৰিচিতিত উল্লেখ কৰা চাৰিটা শাখাৰ শেষৰ দুটা শাখা ইয়াত অন্তর্ভুক্ত হৈছে। তৃতীয় শাখা "পৰিৱর্তিত ৰূপত অসমীয়া সংস্কৃতি"ত পাঁচটা অধ্যায়েৰে পৰিৱর্তিত সমাজ ব্যৱস্থাত অসমীয়া সংস্কৃতিৰ স্বৰূপটো কেনে তাকে যুকিয়াই চাবলৈ যত্ন কৰা হৈছে। শেষৰ শাখা "কম্পিউটাৰত অসমীয়া ভাষা"ত তিনিটা অধ্যায়েৰে কম্পিউটাৰত অসমীয়া ভাষাই কেনেদৰে স্থান লাভ কৰিছে সেই বিষয়ে আলোকপাত কৰা হৈছে।

পাঠ্যবিষয়টিৰ অষ্টম আৰু এইটো খণ্ডৰ প্রথমটো অধ্যায় 'সাম্প্রতিক অসমীয়া সংস্কৃতি— 1'ত পৰিৱর্তিত সমাজ ব্যৱস্থাৰ ফলস্বৰূপে পৰম্পৰাগতভাৱে অসমীয়া সমাজৰ জন্ম, মৃত্যু আৰু বিবাহৰ সময়ত পালন কৰা লোকাচাৰলৈ অহা পৰিৱর্তনসমূহৰ লগতে অন্ন-বস্ত্র-বাসস্থানৰ ক্ষেত্রত কেনে পৰিৱর্তন আহিছে সেয়া যুকিয়াই চোৱা হৈছে। নৱম অধ্যায় 'সাম্প্রতিক অসমীয়া সংস্কৃতি— 2'ত ৰেডিঅ'-টেলিভিছ্ন-ম'বাইল-ইণ্টাৰনেটৰ প্রচাৰ-প্রসাৰে অসমীয়া সংস্কৃতিত কেনে প্রভাৱ বিস্তাৰ কৰিছে সেই বিষয়ে আলোচনা কৰা হৈছে। পৰিৱর্তিত সময়ৰ লগে লগে অসমীয়া ভাষাইও ৰূপ সলাইছে। সম্প্রতি দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা (শব্দৰ ভুল প্রয়োগ, এফ. এম. তথা ভিন ভিন দৃশ্য-শ্রব্য মাধ্যমৰ অসমীয়া ভাষা, নির্দিষ্টতাবাচক প্রত্যয়, কাৰক আদিৰ পৰিহাৰ ইত্যাদি) সম্পর্কে আলোচনা কৰা হৈছে দশম অধ্যায়ত। পৰিৱেশ্য কলা মানে কি, অসমৰ পৰিৱেশ্য কলানো কেনেধৰণৰ সেই বিষয়ে আলোকপাত কৰি আধুনিক পৰিৱেশ্য কলাত লোকউপাদানৰ প্রয়োগ সম্পর্কে বিশ্লেষণ আগবঢ়োৱা হৈছে একাদশ অধ্যায়ত। 'অসমৰ কাৰু কলা আৰু সাম্প্রতিক সময়ত তাৰ স্থিতি' শীর্ষক দ্বাদশ অধ্যায়টোত কাৰু কলা মানে কি, অসমৰ কাৰু কলাৰ বিবিধ দিশ সম্পর্কে বহলাই আলোচনা কৰি সাম্প্রতিক সময়ত তাৰ স্থিতি আৰু এই কলা বিধলৈ অহা প্রত্যাহ্বান সম্পর্কে আলোচনা কৰা হৈছে।

এইটো খণ্ডত অন্তর্ভুক্ত হোৱা দ্বিতীয়টো শাখাত দুটা বিষয় আছে — কম্পিউটাৰ আৰু ইণ্টাৰনেটত অসমীয়া ভাষা। ইয়াৰে প্রথমটো অধ্যায় মানে পাঠ্যবিষয়ৰ ত্রয়োদশ অধ্যায়ত কম্পিউটাৰৰ সংজ্ঞা, ইয়াৰ উদ্ভৱ আৰু বিকাশ তথা কম্পিউটাৰৰ বিভিন্ন কাৰিকৰী দিশসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। 'কম্পিউটাৰত ব্যৱহৃত অসমীয়া ভাষা' শীর্ষক চতুর্দশ অধ্যায়ত কম্পিউটাৰত অসমীয়া ভাষাই কেনেৰূপ পৰিগ্রহ কৰিছে সেই বিষয়ে আলোকপাত কৰা হৈছে। ইয়াত কম্পিউটাৰত ব্যৱহাৰ হোৱা অসমীয়া ফণ্ট, অসমীয়া কী-বর্ড, অসমীয়া বিবিধ চফটৱেৰৰ বিষয়ে চমুকৈ আলোচনা দাঙি ধৰা হৈছে। এই পাঠ্যবিষয়ৰ অন্তিম অধ্যায় 'ইণ্টাৰনেটত অসমীয়া ভাষা'ত ইণ্টাৰনেটৰ সংজ্ঞা, ইতিহাস; ইণ্টাৰনেটত অসমীয়া ভাষা — ই-মেইল আৰু ব্লগত ব্যৱহৃত অসমীয়া ভাষা, ৰেব জার্নেল, বিভিন্ন কার্যালয়ৰ অসমীয়া ৰেব-চাইট, বিভিন্ন ই-গ্রুপ আদি, ইণ্টাৰনেটত অসমীয়া অভিধান তথা পুথিভঁৰাল, অসমীয়া ইণ্টাৰনেট ৰেডিঅ'ৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰা হৈছে।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। এই খণ্ডৰ শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডৰ লগতে পূর্বৱর্তী খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।